**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক সকলো ধৰণৰ বতৰ আৰু জলবায়ুৰ বাবে সক্ৰিয় ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে আজি মৌচম অভিযানৰ শুভাৰম্ভ কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পাৰিসাংখ্যিক আহিলা আৰু সাংখ্যিক প্ৰযুক্তিয়ে নীতিগত সিদ্ধান্তৰ বাবে অভিজ্ঞতালব্ধ ভেটি প্ৰদান কৰি ফলপ্ৰসু শাসনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি প্ৰকাশ কৰিছে

৩। দেশৰ বিভিন্ন প্ৰান্তত আজি শস্য চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি পালন কৰা হৈছে।

৪। প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে ১৯৭১ চনৰ যুদ্ধত সেৱা আগবঢ়োৱা প্ৰাক্তন সৈনিকসকলক দেশৰ সশস্ত্ৰ বাহিনীৰ শক্তি বুলি অভিহিত কৰিছে। *আৰু*

৫। ভাৰতৰ মহিলা দল সম্প্ৰতি নতুন দিল্লীত অনুষ্ঠিত খো খো বিশ্বকাপৰ নিজৰ প্ৰথমখন খেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক সকলো ধৰণৰ বতৰ আৰু জলবায়ুৰ বাবে সক্ৰিয় ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে আজি মৌচম অভিযানৰ শুভাৰম্ভ কৰে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ ডেৰশ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এই অভিযান আৰম্ভ কৰা হয়। এই উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে মৌচম অভিযান এখন বহনক্ষম আৰু ভৱিষ্যতৰ বাবে সাজু ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰমাণ। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ ডেৰশ বছৰীয়া যাত্ৰাৰ প্ৰশংসা কৰি তেওঁ ইয়াক আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ গৌৰৱময় অধ্যায় বুলি অভিহিত কৰে। তেওঁ কয়, যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কোটি কোটি ভাৰতীয়লৈ সেৱা আগবঢ়োৱাই নহয় বৰং ভাৰতৰ বৈজ্ঞানিক প্ৰগতিৰ প্ৰতিক হৈ পৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে সম্প্ৰতি আগলি বতৰা উদ্যমৰ জৰিয়তে দেশৰ ৯০ শতাংশৰো অধিক লোকক বতৰৰ আগতীয়া বতৰা দিয়া হয়। যিকোনো লোকে পৰৱৰ্তী ১০ দিনত বতৰৰ তথ্য যিকোনো সময়ত লাভ কৰিব পাৰে বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে বতৰৰ বাস্তৱিক সময় ভিত্তিক তথ্যই সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰিছে আৰু কৃষি তথা সামুদ্ৰিক অৰ্থব্যৱস্থাৰ লেখিয়া খণ্ডসমূহ সুদৃঢ় কৰি তুলিছে।

প্ৰাকৃতিক বিপৰ্যয়ৰ ফলত হোৱা ক্ষয়-ক্ষতি হ্ৰাস কৰিবলৈ হ'লে বতৰ বিজ্ঞান বিভাগৰ দক্ষতা বৃদ্ধি কৰিবই লাগিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বতৰৰ ক্ষেত্ৰত দেশৰ অগ্ৰগতিয়ে ইয়াৰ দুৰ্যোগ ব্যৱস্থাপনা সামৰ্থ বৃদ্ধি কৰিছে আৰু ইয়াৰ পৰা সমগ্ৰ বিশ্ব উপকৃত হৈছে। তেওঁ লগতে কয়, যে ভাৰতত আকস্মিক বান দিশ

নির্দেশনা প্ৰণালীৰ জৰিয়তে নেপাল, ভূটান, বাংলাদেশ, আৰু শ্ৰীলংকাৰ তথ্য যোগান ধৰি অহা হৈছে। ভাৰতে বিশ্ব বন্ধু হিচাপে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত অন্য ৰাষ্ট্ৰক সহায়ৰ বাবে সদায় প্ৰথমে সহায়ৰ হাত আগবঢ়াই আহিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে ভাৰতে গোলকীয় সেৱা আৰু সুৰক্ষাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আস্থা প্ৰকাশ কৰে। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় ধৰিত্ৰী বিজ্ঞান দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কয়, যে দেশৰ বতৰৰ আগলি বতৰা প্ৰদানৰ সামৰ্থ যথেষ্ট বৃদ্ধি পাইছে। তেওঁ কয়, যে যোৱা দশকত এনে আগলি বতৰাৰ প্ৰায় ৫০ শতাংশ নিখুত বুলি প্ৰমাণিত হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এটা স্মাৰক মুদ্ৰাও মুকলি কৰে। তেওঁ লগতে ভিজন ২০৪৭ শীৰ্ষক নথিও জাৰি কৰে। এই নথিত বতৰৰ আগলি বতৰা, জলবায়ু ব্যৱস্থাপনা আৰু জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ দূৰ কৰাৰ পৰিকল্পনা অন্তৰ্ভুক্ত কৰা হৈছে।

মৌচম অভিযানৰ মূল উদ্দেশ্য হৈছে অত্যাধুনিক বতৰ নিৰীক্ষণ প্ৰযুক্তি আৰু প্ৰণালী বিকশাই তোলা। এই উদ্যমৰ অধীনত বায়ু মণ্ডলৰ উচ্চ ৰিজলুশ্যনৰ নিৰীক্ষণ সম্ভৱ হৈ উঠিব। এই উদ্যমৰ ৰূপায়ণৰ বাবে ভৱিষ্যত প্ৰজন্ম ৰাডাৰ, কৃত্ৰিম উপগ্ৰহ তথা উচ্চ প্ৰদৰ্শনৰ কম্পিউটাৰৰ ব্যৱস্থা কৰা হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ফলপ্ৰসূ শাসন ব্যৱস্থাত নীতিগত সিদ্ধান্তৰ বাবে পৰিমাণসংখ্যাগত সজুলী আৰু পৰিমাণগত কৌশলে এক উল্লেখযোগ্য ভূমিকা পালন কৰে বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ৰাষ্ট্ৰপতি ভৱনত আই এছ এছৰ প্ৰশিক্ষণৰত এটা দলক সম্বোধন কৰি এই মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰে স্বাস্থ্য, শিক্ষা, জনসংখ্যাৰ আকাৰ আৰু নিয়োগ আদি তথ্য সংগ্ৰহৰ বাবে ৰাষ্ট্ৰীয় পৰিসংখ্যা ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। লগতে তেওঁ পৰিসংখ্যা কেৱল দক্ষ শাসন ব্যৱস্থাৰ মেৰুদণ্ডই নহয়, আৰ্থসামাজিক উন্নয়নৰ আহিলা বুলিও মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে চৰকাৰক নীতি প্ৰনয়ন, কাৰ্যকৰী আৰু নিৰীক্ষণৰ লগতে নীতি পৰ্যালোচনা আৰু ইয়াৰ প্ৰভাৱ মূল্যায়নৰ বাবে তথ্যৰ প্ৰয়োজন। চৰকাৰী আঁচনি আৰু কাৰ্যসূচীৰ নিৰপেক্ষ বুজাবুজি আৰু মূল্যায়নৰ বাবে নাগৰিকসকলকো তথ্যৰ প্ৰয়োজন বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি শস্য চপোৱাৰ উৎসৱ, মকৰ সংক্ৰান্তি পালন কৰা হৈছে। মকৰ সংক্ৰান্তি শীত ঋতুৰ সমাপ্তি আৰু দীঘলীয়া দিনৰ আৰম্ভণিৰ প্ৰতিক। দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন নামেৰে এই উৎসৱ পালন কৰা হয়। অসমত ভোগালী বিহু, তামিলনাডু পোংগল, গুজৰাটত উত্তৰায়ণ আৰু পশ্চিমবংগত পৌষ সংক্ৰান্তি হিচাপে এই উৎসৱ পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক মাঘ বিহু, মকৰ সংক্ৰান্তি, পোংগল আৰু উত্তাৰায়ণ উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। এই বাৰ্তাত শ্ৰীমোদীয়ে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ সুখ-সমৃদ্ধি আৰু সাফল্যৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে এই উৎসৱে সমন্বয় আৰু ভ্ৰাতৃত্বৰ বান্ধোন শক্তিশালী কৰিব।

অসমতো আজি বাপতি সাহোন ভোগালী বিহু উপলক্ষে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। কালি উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক

ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভোগালী বিহু উপলক্ষে আজি জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। মেজিৰ উত্তাপে সমাজৰ সকলো অশুভ শক্তি নাশ কৰিব বুলি তেওঁ কামনা কৰে।

০০০০

প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে ১৯৭১ চনৰ যুদ্ধত সেৱা আগবঢ়োৱা প্ৰাক্তন সৈনিকসকলক দেশৰ সশস্ত্ৰ বাহিনীৰ শক্তি বুলি অভিহিত কৰিছে। সশস্ত্ৰ বাহিনীৰ নৱম প্ৰাক্তন সৈনিক দিৱস উপলক্ষে আজি মুম্বাইৰ গৌৰৱ স্তম্ভ পুস্পাৰ্ঘ্য নিবেদন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। প্ৰাক্তন সৈনিকসকলক দেশৰ গৌৰৱ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰ তেওঁলোকৰ কল্যাণৰ প্ৰতি বদ্ধপৰিকৰ। তেওঁ কয়, যে চৰকাৰে বিগত ১০ বছৰত প্ৰাক্তন সৈনিক আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণৰ বাবে ১ লাখ ২৪ হাজাৰ কোটি টকা ব্যয় কৰিছে।

০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ মহাকুম্ভত আজি ত্ৰিবেনী সংগমত চাৰে তিনি কোটিৰো অধিক ভক্ত আৰু তীৰ্থযাত্ৰীয়ে মকৰ সংক্ৰান্তি  অমৃত স্নান সম্পন্ন কৰে। মকৰ সংক্ৰান্তি সম্পৰ্কীয় সকলো ৰীতি নীতি আৰু পৰম্পৰা সুচাৰুৰূপে চলি আছে। পবিত্ৰ স্নানৰ পাছত ভক্তসকলে ঘাটসমূহত পূজা অৰ্চনা সম্পন্ন কৰে। পৰম্পৰা অনুসৰি ভক্তসকলে দান দক্ষিণাও কৰে।

০০০০

ৰাছিয়াত এগৰাকী ভাৰতীয় নাগৰিকৰ মৃত্যুৰ ঘটনাৰ বিষয়ে ভাৰতে মস্ক মহল আৰু নতুন দিল্লীত থকা ৰাছিয়াৰ দূতাবাসৰ ওচৰত উত্থাপন কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ৰুছ সেনা বাহিনীৰ হৈ কাম কৰি থকা বাকী ভাৰতীয় নাগৰিকসকলক শীঘ্ৰে সেৱা মুক্ত কৰিবলৈ আহ্বান জনাইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আজি এটা বিবৃতিযোগে  ৰাচিয়াৰ সেনা বাহিনীত নিয়োজিত কেৰালাৰ এগৰাকী লোকৰ মৃত্যুক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে, কেৰালাৰ আন এগৰাকী লোক আহত হৈছে আৰু তেওঁ সম্প্ৰতি মস্কোৰ এখন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। মস্কোত থকা ভাৰতীয় দূতাবাসে দুয়োগৰাকী লোকৰ পৰিয়ালবৰ্গৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে আৰু তেওঁলোকক যথাসম্ভৱ সহায় আগবঢ়াইছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ বিবৃতিটোত নিহত ভাৰতীয় নাগৰিকগৰাকীৰ পাৰ্থিৱ শৰীৰ শীঘ্ৰে ভাৰতলৈ প্ৰেৰণ কৰাৰ বাবে ৰাছিয়াৰ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকা হৈছে বুলি উল্লেখ কৰা হৈছে।

০০০০

ভাৰতৰ মহিলা দল সম্প্ৰতি নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত খো খো বিশ্বকাপৰ নিজৰ প্ৰথমখন খেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ইফালে ভাৰতৰ পুৰুষ দল আজি নিশা ৮ বাজি ১৫ মিনিটত হবলগীয়া এখন খেলত ব্ৰাজিলৰ সন্মুখীন হ'ব। ভাৰতীয় পুৰুষ দলে কালি নেপালৰ বিৰুদ্ধে   জয়েৰে প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিছে।

০০০০

সমাপ্ত